بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৩ ফেব্রুৱাৰী ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**হজৰত মছীহ মাওউদ (আঃ)ৰ গুৰুত্ববহুল মন্তব্যৰ আলোকত কোৰাণ কৰিমৰ ফজিলত,স্থান,মৰ্য্যদা আৰু মহানতা সম্পৰ্কে বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণ কৰিমৰ কল্যাণ সম্পৰ্কে বৰ্ণনা কৰোঁতে কৈছে যে এইখন গ্ৰন্থৰ কল্যাণ আৰু বৰকাত চিৰকাল জাৰি থাকিব যেনেকৈ আঁহজৰত (ছাঃ)ৰ যুগত আছিল।

আকৌ তেখেত (আঃ)য়ে কৈছে যে এয়া সত্য কথা যে বেছি ভাগ মুছলমানেই কোৰাণ চৰিফ এৰি পেলাইছে। তথাপি কিন্তু কোৰাণ চৰিফৰ কিৰণ আৰু বৰকাত আৰু ইয়াৰ প্ৰভাৱ সদায় জীৱিত আৰু সজীৱ হৈ আছে। গতিকে মোক এতিয়া তাৰেই প্ৰমাণ স্বৰূপে পঠোৱা হৈছে আৰু আল্লাহ তা'লা সময়মতেই নিজৰ বান্দা সকলৰ কৃপাৰ্থে আৰু সহায়ৰ নিমিত্তে নিজৰ বিশেষ ভৃত্য সকলক পঠাই আছে কাৰণ সি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে যে **ইন্না নাহনু নাজ্জালনাজ জিকৰা ওৱা ইন্না লাহু লাহাফিজুন** অৰ্থাৎ নিশ্চয় আমি এই বাণী অৰ্থাৎ কোৰাণ কৰিম নাযিল কৰিছোঁ আৰু আমিয়েই ইয়াৰ হিফাজত কৰোঁতা।

গতিকে আল্লাহ তা'লা এই যুগত আঁহজৰত (ছাঃ)ৰ সত্য প্ৰাণ দাস (হজৰত মছীহ মাওউদ)ক কোৰাণ কৰিমৰ প্ৰচাৰ আৰু ৰক্ষণা-বেক্ষণ দিয়াৰ বাবে প্ৰেৰণ কৰিছে। তেখেত (আঃ)ক সেই ৰহস্যৰ জ্ঞান দান কৰা হৈছে যিসকল লোকৰ ওচৰত গোপনীয় হৈ আছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণ কৰিমৰ ৰাজত্ব জগতত প্ৰতিষ্ঠা কৰিবলৈ আহিছে। কিন্তু দুৰ্ভাগ্য বশত নামধাৰী উলামা সকলে প্ৰথমেৰে পৰাই এখেত (আঃ)ৰ দাবীৰ বিৰোধ কৰি আহিছে আৰু কোনো ধৰণৰ প্ৰজ্ঞাপূৰ্ণ কথা শুনিবলৈ সাজু হোৱা নাই আৰু সৰ্বসাধাৰণ লোকক আওবাটে লৈ গৈ আছে। পাকিস্তানত মাজে সময়ে এই নামধাৰী উলামা সকলে উখল-মাখল লগায় আৰু তেওঁলোকৰ সৈতে কিছুমান ৰাজনৈতিক নেতা সকলে নিজৰ নাম জাহিৰ কৰিবলৈ আহি যোগ দিয়ে। এনেদৰে আহমদী সকলক বিভিন্ন অজুহাতেৰে উৎপীড়নৰ কেন্দ্ৰ বিন্দু বনাই লয়। যোৱা কিছুদিন

ধৰি কোৰাণ কৰিমৰ ৰদ-বদল আৰু অপমান সম্পৰ্কে এটা মনগঢ়া মোকৰ্দমা ৰুজু কৰিবলৈ নামধাৰী উলামা সকলে আহমদী সকলক টাৰ্গেট বনাই লৈছে। আল্লাহ তা'লা আহমদী সকলক তেওঁলোকৰ (চয়তানী) দুষ্টালিৰ পৰা ৰক্ষা কৰক আৰু যিসকল আহমদীক এই ভুল আৰু উৎপীড়ন মূলক দোষত তেওঁলোকে গ্ৰেপ্তাৰ কৰি লৈছে তেওঁলোকৰ ৰেহাইৰ উপায় দান কৰক।

বৰ্তমান যুগত হজৰত মছীহ মাওউদ (আঃ)ৰ জৰিয়তে কোৰাণ কৰিমৰ জ্ঞান গভীৰ তথ্য সম্পৰ্কে গম পোৱা যায় আৰু এই কাম একমাত্ৰ জামাতে আহমদীয়াই বিশ্বব্যাপী কৰিবলৈ আৰম্ভ কৰিছে। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ ৰচনাত কোৰাণ কৰিমৰ যিবোৰ গভীৰ তথ্য আৰু কোৰাণ কৰিমৰ মৰ্যাদা সম্পৰ্কে বৰ্ণনা কৰিছে, আজি মই তাৰেই কিছুমান কথা বৰ্ণনা কৰিম।

হজৰত মছীহ মাওউদ (আঃ)য়ে এঠাইত কোৰাণ কৰিমৰ শিক্ষা সম্পৰ্কে উল্লেখ কৰিছে যে মোৰ ধৰ্ম হ'ল এয়া যে কোৰাণ নিজৰ লিপিত এক সম্পূৰ্ণ শিক্ষা সামৰি লৈছে, কোনো ধৰণৰ সত্যতা ইয়াৰ শিক্ষাৰ পৰিধিৰ বাহিৰত নহয়। কিন্তু ইয়াৰ লগতে মোৰ আৰু বিশ্বাস যে কোৰাণ কৰিমৰ হতুৱাই ধৰ্মীয় সকলো সমস্যাৰ সমাধান বাছি উলিওৱা আৰু সেইবোৰৰ শুদ্ধ ব্যাখ্যা কাদিৰ খোদাৰ ইচ্ছা অনুযায়ী আগবঢ়োৱা এজন মৌলবীৰ নিজৰ প্ৰচেষ্টাত কেতিয়াও সম্ভৱ নহয়; বৰং এয়া বিশেষ ভাৱে সেইজন লোকৰ কাম যিজনে ওহী ইলাহিৰ জৰিয়তে নবুয়তৰ দুৱাৰ মুখেদি মহান সহায় লাভ কৰিছে।

মানুহৰ হিদায়তৰ প্ৰথম উপায় হ'ল কোৰাণ মজিদ এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মোৰ ধৰ্মমতে তিনিটা বস্তু তোমালোকৰ হিদায়তৰ উদ্দেশ্যে আল্লাহ তা'লা তোমালোকক প্ৰদান কৰিছে। ইয়াৰে প্ৰথম হ'ল কোৰাণ, য'ত খোদা তা'লাৰ তৌহিদ, মহানতা আৰু ক্ষমতা সম্পৰ্কে উল্লেখ আছে আৰু ইয়াতেই ইহুদী আৰু নাছাৰা (খ্ৰীষ্টান) সকলৰ মতানৈক্যৰ পূৰ্ণ মীমাংসাৰ বৰ্ণনা দিয়া আছে। কোৰাণৰ মাজত নিষেধ কৰা হৈছে যে তোমালোকে খোদা তা'লাৰ বাহিৰে আন কাৰো ইবাদত নকৰিবা। গতিকে তোমালোকে সাৱধান হোৱা আৰু খোদা তা'লাৰ শিক্ষা আৰু কোৰাণৰ নিৰ্দেশৰ বিৰুদ্ধে এখোজও নিদিবা। মই তোমালোকক সঁচা সঁচা কৈছো যে যিজনে কোৰাণ কৰিমৰ সাত শ আদেশৰ মাজত এটা সৰু আদেশও অমান্য কৰে তেওঁ মুক্তিৰ দুৱাৰ নিজ হাতেৰে বন্ধ কৰে। আল্লাহ তা'লা মোক ইলহামান কৈছে, **আলখায়ৰু কুল্লুহু ফিল কোৰান** অৰ্থাৎ সকলো ধৰণৰ কল্যাণ কোৰাণ কৰিমত নিহিত আছে, এই কথাখিনিয়ে সত্য।

আৰু কৈছে যে খোদা তা'লাই তোমালোকক বৰ কৃপা কৰিছে যে সি কোৰাণ কৰিম তোমালোকক প্ৰদান কৰিছে। গতিকে এই অনুগ্ৰহৰাজীৰ আদৰ-সন্মান কৰি যোৱা, যি তোমালোকক দিয়া হৈছে। এয়া বৰ প্ৰিয় নিয়ামত হয়, এয়াই উত্তম সম্পদ। যদি কোৰাণ অৱতীৰ্ণ নহলহেঁতেন তেন্তে গোটা জাহান এক পঙ্কীলময় আৱৰ্জনাৰ দৰে থাকিলেহেঁতেন। কোৰাণ এনেকুৱা এখন গ্ৰন্থ যাৰ তুলনাত সকলো হিদায়তৰ মানদণ্ড চুটি পৰে।

কোৰাণ কৰিম খাতামুল কিতাপ হোৱা সম্পৰ্কে তেখেত (আঃ)য়ে কৈছে যে আঁহজৰত (ছাঃ)য়ে খাতামান নাবীঈন আৰু কোৰাণ চৰিফ খাতামাল কিতাপ হয়। এতিয়াৰে পৰা আৰু কোনো কলেমা বা আৰু কোনো নামাজ হ'ব নোৱাৰে। আঁহজৰত (ছাঃ)য়ে যি কৈছে আৰু যিবোৰ কৰি দেখুৱাইছে সেইবোৰ কৰিবলৈ এৰি দিলে মুক্তি লাভ নহ'ব। যিজনে সেইবোৰ এৰি দিব তেওঁ জাহান্নামত প্ৰৱেশ কৰিব। এয়াই আমাৰ ধৰ্ম আৰু বিশ্বাস হয়। কিন্তু ইয়াৰ লগতে এয়াও মনত ৰাখিব লাগিব যে এই উম্মতৰ বাবে ঐশ্বৰিক ব্যাক্যালাপৰ দুৱাৰ উন্মুক্ত আছে আৰু এই দুৱাৰ সম্ভৱত কোৰাণ কৰিমৰ সত্যতা আৰু আঁহজৰত (ছাঃ)ৰ সত্যতাৰ সৰ্বক্ষণ

সতেজ সাক্ষী।

ইছলামৰ আচল উদ্দেশ্য এয়া সন্নিবিষ্ট আছে যে মানৱে কেৱল মুখেৰে যেন **ওৱাদাহু লাশাৰিকালাহু** নকয়; বৰং ইয়াৰ মূলভাৱ বুজি লয় আৰু জান্নাত আৰু দোজখ সম্পৰ্কে ধাৰণা মূলক ঈমান নাৰাখে বৰং দৰাচলতে পাৰ্থিৱ জীৱনতেই যেন জান্নাতৰ বাতাৱৰণ সম্পৰ্কে গম পায় আৰু সেই গোনাহ সমূহৰ পৰা যিবোৰত মানুহ লিপ্ত হৈ আছে মুক্তি লাভ কৰে। এই বিলাক মহান উদ্দেশ্য ইছলামৰ আছিল আৰু এতিয়াও আছে। এইবোৰ এনেকুৱা পৱিত্ৰ উদ্দেশ্য যে বেলেগ কোনো সম্প্ৰদায়ৰ ধৰ্মত ইয়াৰ দৃষ্টান্ত নাই।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি হজৰত মছীহ মাওউদ (আঃ)ৰ মান্যকাৰী সকলে এই মান অৰ্জন কৰাৰ প্ৰয়োজন আছে।

জগতবাসীক জনোৱাৰ প্ৰয়োজন আছে আৰু আমাৰ ওপৰত কুফৰৰ ফতোৱা জাৰি কৰোঁতা সকলক দেখুৱাৰ প্ৰয়োজন আছে যে আহমদী সকলে কেৱল পুৰণি কাহিনীক বৰ্ণনা নকৰে বৰং আজিও জীৱন্ত কিতাপ আৰু জীৱন্ত ৰছুলক মান্য কৰোঁতা সকলৰ ওপৰত আল্লাহ তা'লাৰ কৃপা বৰ্ষণৰ ওপৰত বিশ্বাস ৰাখে। লগতে এই কথাৰ ওপৰতও বিশ্বাস ৰাখে যে খোদা তা'লা আজিও বাৰ্ত্তালাপ কৰে।

আকৌ হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আমাক আল্লাহ তা'লাই সেইজন নবী প্ৰদান কৰিছে যিজন খাতামাল মোমিনিন, খাতামাল আৰেফিন, খাতামাল নাবীঈন হয়। এনেদৰে যিখন গ্ৰন্থ তেখেত (ছাঃ)ৰ ওপৰত নাযিল হৈছে সেয়া জামেউল কিতাপ আৰু খাতামুল কিতাপ হয়।

কোৰাণ কৰিমৰ ওপৰত কেনেকুৱা ঈমান ৰখাৰ প্ৰয়োজন এই সম্পৰ্কে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে মই কোৰাণ কৰিম আৰু আঁহজৰত (ছাঃ)ৰ আনুগত্যৰ পৰা বিন্দু পৰিমাণৰ ইফাল-সিফাল হোৱাটো বেঈমানী বুলি ভাৱো। মোৰ বিশ্বাস এয়া যে যিজনে ইয়াক বিন্দু পৰিমাণে এৰিব সি হ'ব জাহান্নামী।

কোৰাণ কৰিম আৰু কুদৰতি আইন পাৰস্পৰিক সম্পৰ্ক বৰ্ণনা কৰোঁতে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে- পাক আৰু পৰিপূৰ্ণ শিক্ষা হ'ল কোৰাণ কৰিমৰ শিক্ষা, যিয়ে মানৱীয় গছৰ প্ৰত্যেক ডাল পাতক পালন কৰে। কোৰাণ চৰিফে কেৱল মাত্ৰ এটা ফালৰ ওপৰত জোৰ নিদিয়ে বৰং কেতিয়াবা দয়া আৰু ক্ষমাৰও শিক্ষা দিয়ে। কিন্তু তাত চৰ্ত হ'ল এয়া যে ক্ষমা কৰিলে যেন সংশোধন হয়। আকৌ কেতিয়াবা পৰিস্থিতি সাপেক্ষে শাস্তি দিবলৈ কয়। গতিকে দৰাচলতে কোৰাণ কৰিমে খোদা তা'লাৰ সেইবোৰ কুদৰতি বিধানৰ প্ৰতিচ্ছৱি যিবোৰ সদায় আমাৰ দৃশ্যপটত থাকে। এই কথা খিনি যথাৰ্থ হোৱা উচিত যে খোদা তা'লাৰ বাণী আৰু কাৰ্য্য দুয়ো একে হ'ব লাগে। অৰ্থাৎ যি ধৰণে আৰু পদ্ধতিৰে জগতত খোদাৰ কাৰ্য্য দেখিবলৈ পোৱা যায় ঠিক সেইদৰেই খোদা তা'লাৰ কিতাপে তাৰ কাৰ্য্য অনুযায়ী শিক্ষা প্ৰদান কৰে।

আৰু কৈছে সত্য হ'ল সেই ধৰ্ম যিয়ে এই যুগতও খোদা তা'লাৰ শুনিবলৈ পোৱা আৰু ক'ব পৰাটো প্ৰমাণিত কৰে। গতিকে সত্য ধৰ্মত খোদা তা'লাই নিজৰ ঐশ্বৰিক বাণীৰ জৰিয়তে নিজৰ সত্তাৰ পৰিচয় দিয়ে। খোদা তা'লাক চিনি পোৱাটো বৰ কঠিন কাম। এয়া জগতৰ হাকিম, মুক্তাৰ আৰু দাৰ্শনিক সকলৰ কামৰ দৰে নহয়, যিয়ে খোদা তা'লাৰ সন্ধানি দিব। কাৰণ জমিন আৰু আচমান চাই গম পোৱা যায় যে এই মহান নীতিমালা আৰু কাৰুকাৰ্য্যৰ কোনো এজন নিৰ্মাতা আছে। কিন্তু ইয়াতে এয়া প্ৰমাণিত নহয় যে সেই নিৰ্মাতা বৰ্তমান আছে আৰু থকা উচিত। ইয়াতে থকা উচিত আৰু আছে শব্দৰ মাজত যি পাৰ্থক্য আছে সেয়া স্পষ্ট বুজা যায়। গতিকে সেই সত্তাৰ সঁচাকৈ সন্ধান দিওঁতা একমাত্ৰ কোৰাণ কৰিমেই আছে।

তেখেত (আঃ)য়ে কৈছে যে প্ৰত্যেক সম্প্ৰদায়ৰ আৰু প্ৰত্যেক ধৰ্মৰ নেতা সকলক মই আমন্ত্ৰণ

জনাইছো যে তেওঁলোকে আহি আমাৰ সন্মুখত নিজৰ ধৰ্মৰ সত্যতাৰ চিহ্ন প্ৰদৰ্শন কৰক। কিন্তু কোনেও নোলাল যে আমাক আহি কোনো কাৰ্য্যকৰী নিচান এটা দেখুৱাব। আমি খোদা তা'লাৰ বাণীক এটা পুৰস্কাৰ হিচাপে মান্য কৰো আৰু আমাৰ বিশ্বাস আৰু দাবী হ'ল এয়া যে বেলেগ কোনো কিতাপেই ইয়াৰ তুলনা দিব নোৱাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ বৰ্ণনাৰ আলোকত কোৰাণ কৰিমৰ শিক্ষাক তৌৰাত আৰু ইঞ্জিলৰ শিক্ষাৰ তুলনাত বেছি উপযুক্ত আৰু কল্যাণকৰ বুলি প্ৰমাণ কৰাৰ পিছত কয় যে সুনিশ্চিত বাক্যমালাৰ শৃঙ্খলা আৰু দলিল প্ৰমাণৰ সৈতে সকলো ধৰ্মৰ ওপৰত কোৰাণ কৰিমৰ মহানতা প্ৰমাণিত কৰা তেখেত (আঃ)ৰ কাম আছিল। যেতিয়া এই দেশত ইংৰাজ সকলৰ ৰাজত্ব আছিল। চাৰ্চ বিলাকৰ আধিপত্য অধিক আছিল। তথাপি হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণ কৰিমৰ মহানতাৰ চ্যালেঞ্জ কৰিছিল আৰু কোনো ধৰণৰ ভয় কৰা নাছিল। কাৰণ তেখেত (আঃ) আল্লাহ তা'লাৰ সেই সাধু পুৰুষ আছিল যাক আল্লাহ তা'লা সেই যুগত আঁহজৰত (ছাঃ)ৰ দাস হিচাপে প্ৰেৰণ কৰিছিল। এই বিষয় সমূহ আমি তেখেত (আঃ)ৰ শিক্ষা আৰু ৰচনাত দেখি প্ৰচাৰ কৰি আছে। জামাতে আহমদীয়াৰ ওপৰত দোষ জাপি দিয়া সকলে কয় যে আহমদী সকলে কোৰাণ কৰিমৰ সাল-সলনি আৰু অপমান কৰি আছে।

কোৰাণ কৰিমৰ গুৰুত্ব আৰু প্ৰয়োজন সম্পৰ্কে তেখেত (আঃ)য়ে কৈছে কোৰাণৰ জৰিয়তেই গোটা বিশ্বক সংশোধন কৰিবলৈ আছে আৰু ইয়াৰ তুলনাত কোনো সম্প্ৰদায় নাই যে তেওঁলোকে মুকলি ভাৱে ক'ব যে তেওঁলোকে মানৱ জাতিক সংশোধন কৰিবলৈ কোনো কিতাপ পাইছে আৰু প্ৰত্যেকৰ সংশোধনৰ উদ্দেশ্য তাত নিহিত আছে।

হুজুৰত আনোৱাৰ (আইঃ)য়ে কয় যে এই বৰ্ণনা ইনশা আল্লাহ আগলৈ চলিব।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّآ اِلٰہَ اِلَّا اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 3 FEBRUARY 2023**

# BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844